समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

নৱম শ্ৰেণীৰ পাঠ্যপুথি

ভূগোল

পাঠ - ৪

অসমৰ ভূগোল

অংশ – ৬

শ্ৰাৱণী দেৱী

১৪। অসমৰ সৰ্বোচ্চ আৰু সৰ্বনিম্ন বৰষুণ হোৱা ঠাই দুখনৰ নাম আৰু বৰষুণৰ পৰিমাণ লিখা।



উত্তৰ: অসমৰ সৰ্বোচ্চ বৰষুণ হোৱা ঠাই আৰু বৰষুণৰ পৰিমাণ - উত্তৰ লখিমপুৰ, বছৰি ৩৩৫ ছেঃমিঃ। অসমৰ সৰ্বনিম্ন বৰষুণ হোৱা ঠাই আৰু বৰষুণৰ পৰিমাণঃ লামডিং, বছৰি ১২৯ ছেঃমিঃ।



১৫। অসমৰ সকলো ঠাইত সমান পৰিমাণে কিয় বৰষুণ নহয়?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ: অসমৰ এক সুকীয়া ভূ- প্ৰকৃতি তথা অৱস্থিতি আৰু ইয়াৰ কাষৰীয়া পাৰ্বত্য ভূমিৰ প্ৰভাৱে বৰষুণৰ বিতৰণৰ তাৰতম্য ঘটায়। সেইবাবে অসমৰ সকলো ঠাইতে সমান বৰষুণ নহয়।



১৬। অসমৰ বৰষুণৰ স্থানিক বিতৰণ সম্পৰ্কে চমুকৈ লিখা।



উত্তৰ: অসমৰ বিভিন্ন ঠাইৰ বৰষুণৰ পৰিমাণ অধ্যয়ন কৰিলে দেখা যায় যে ৰাজ্যখনত বৰষুণৰ স্থানিক তাৰতম্য উল্লেখনীয়। ৰাজ্যখনৰ এক সুকীয়া ভূ-প্ৰকৃতি তথা অৱস্থিতি আৰু ইয়াৰ কাষৰীয়া পাৰ্বত্যভূমিৰ প্ৰভাৱে বৰষুণৰ বিতৰণৰ তাৰতম্য ঘটায়। সাধাৰণতে পাহাৰীয়া তথা ইয়াৰ পাদভূমি অঞ্চলত বৰষুণ বেছিকৈ হয়। ইয়াৰোপৰি উজনি অসমৰ তিনিচুকীয়া, ডিব্ৰুগড়, ধেমাজি, লখিমপুৰ আৰু শিৱসাগৰ জিলা, নামনি অসমৰ কোকৰাঝাৰ আৰু ধুবুৰী জিলা আৰু দক্ষিণ অসমৰ কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দি জিলাত বছৰি ২৫০ ছেন্টিমিটাৰতকৈ অধিক বৰষুণ হয়।

আনহাতে মধ্য অসমৰ নগাওঁ আৰু কাৰ্বি আংলং জিলাত বৰষুণৰ পৰিমাণ যথেষ্ট কম। উল্লেখযোগ্য যে নগাওঁ জিলাৰ লংকা-লামডিং অঞ্চলত বছৰি কেৱল ১২৯ ছেন্টিমিটাৰ পৰ্যন্ত হয়।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৭। অসমত পোৱা মৃত্তিকাৰ প্ৰকাৰসমূহৰ চমু বৰ্ণনা দিয়া।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ: অসমত পোৱা মৃত্তিকাবোৰক চাৰিপ্রকাৰে ভগাব পাৰি। যেনে -

১) পলসুৱা মৃত্তিকা,
২) গিৰিপদ মৃত্তিকা,
৩) পাহাৰীয়া মৃত্তিকা,
৪) কংকৰ মৃত্তিকা ।

১) পলসুৱা মৃত্তিকাঃ এই মৃত্তিকা মধ্যমীয়া ভাৱে ডাঠ আৰু দেখাত ধোঁৱা ববণীয়া। মূলতঃ বালি আৰু পলস বোকাৰে গঠিত এই মৃত্তিকা সামান্যভাৱে অম্লীয়। এই মৃত্তিকাত সাধাৰণতে ফছ্ফৰিক এচিড, নাইট্র'জেন আৰু হিউমাছ প্রায় নাথাকে বুলিয়ে ক'ব পাৰি।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

২) গিৰিপদ মৃত্তিকাঃ গিৰিপদ মৃত্তিকা ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ হিমালয় পাদদেশৰ ঠেক গিৰিপদ অঞ্চলত পোৱা যায়। গিৰিপদ অঞ্চলতো ভাৱৰ আৰু তৰাই অঞ্চলৰ দ্বাৰা গঠিত। এই মৃত্তিকাৰ ডাঠ স্তৰ আছে।

৩) পাহাৰীয়া মৃত্তিকাঃ পাহাৰীয়া মৃত্তিকা সাধাৰণতে অসমৰ দক্ষিণাংশৰ পাহাৰীয়া অঞ্চলত পোৱা যায়। এই মৃত্তিকাৰ উৰ্বৰতা ঠাই ভেদে বেলেগ বেলেগ। নাইট্ৰ'জেন আৰু জৈৱিক পদাৰ্থ এই মৃত্তিকাত যথেষ্ট পৰিমাণে থাকে। প্ৰাকৃতিক গঠন আৰু ৰাসায়নিক গুণাগুণৰ ভিত্তিত এই মৃত্তিকাক দুই প্ৰকাৰে ভগাব পাৰি - ৰঙা বালিয়া মৃত্তিকা আৰু ৰঙাপলসুৱা মৃত্তিকা।

৪) কংকৰ মৃত্তিকাঃ প্ৰায় সমগ্ৰ ডিমা হাছাও জিলা আৰু কাৰ্বি মালভূমিৰ দক্ষিণৰ কিছুমান ঠাইত পোৱা যায়। তাৰোপৰি কাৰ্বি আংলং জিলাৰ হামৰেণ মহকুমাৰ পূব সীমান্তত, গোলাঘাট জিলাৰ দক্ষিণ সীমান্তত আৰু বৰাক সমভূমিৰ উত্তৰ অংশত থকা বৰাইল পৰ্বতৰ পাদদেশত এই মৃত্তিকা পোৱা যায়। এই মৃত্তিকা সাধাৰণতে ক'লা বৰণীয়া আৰু ইয়াৰ গঠন প্ৰধানকৈ বালিঅঁহীয়া। ইয়াত নাইট্ৰ'জেন, পটাছ, ফছফৰিক এছিড আৰু চূণ কম পৰিমাণে থাকে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৮। অসমত মৃত্তিকাৰ অৱক্ষয়ৰ কাৰণসমূহ কি কি?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ: অসমত মৃত্তিকা কিছুমান প্ৰাকৃতিক আৰু মানৱ সৃষ্ট কাৰকৰ দ্বাৰা ক্ষয়প্ৰাপ্ত হৈছে। প্ৰাকৃতিক কাৰক বিলাকৰ ভিতৰত পাহাৰৰ ঢালত প্ৰাকৃতিক কাৰণত হোৱা ভূমিক্ষয়, সমভূমি আৰু নিম্নভূমি অঞ্চলত সৃষ্টি হোৱা জলবন্ধন সমস্যাই প্ৰধান। মানৱসৃষ্ট কাৰকবোৰৰ ভিতৰত হ'লঃ

ক) গছ- গছনি কটাৰ ফলত বৃদ্ধি পোৱা পৃষ্ঠ জলপ্ৰবাহৰ দ্বাৰা হোৱা পৃষ্ঠ মৃত্তিকা ক্ষয়।

খ) পাহাৰীয়া অঞ্চলত কৰা ঝুম খেতি।

গ) মানুহৰ বসতি তথা অন্যান্য কার্যৰ দ্বাৰা উদ্ভৱ হোৱা কৃত্রিম জলবন্ধন সমস্যা।

ঘ) অধিক শস্য উৎপাদনৰ বাবে খেতি পথাৰত অত্যাধিক মাত্রাত ৰাসায়নিক সাৰ প্রয়োগ আদিয়ে প্রধান।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৯। বৰ্তমান অসমৰ জনসংখ্যা কিমান?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ: বৰ্তমান অসমৰ জনসংখ্যা ৩১.২০ নিযুত।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২০। অসমৰ অৰণ্যসমূহক কি কি ভাগত ভাগ কৰিব পাৰি?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ: অসমৰ অৰণ্যক পাঁচটা প্ৰধান ভাগত ভাগ কৰিব পাৰি -

ক) ক্ৰান্তীয় চিৰসেউজীয়া অৰণ্য,

খ) ক্ৰান্তীয় আৰ্দ্ৰপৰ্ণপাতী অৰণ্য,

গ) ক্ৰান্তীয় অৰ্ধচিৰসেউজীয়া অৰণ্য,

ঘ) নৈপৰীয়া অৰণ্য,

ঙ) ক্ৰান্তীয় শুষ্ক বা শুকান পৰ্ণপাতী অৰণ্য।

২১। বর্ষাৰণ্য কাক বোলে? অসমৰ বর্ষাৰণ্যৰ বৈশিষ্ট্য লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ: ৰাজ্যখনৰ অতি বেছি বৰষুণ হোৱা ঠাইবোৰত এই অৰণ্য দেখা যায়। বাৰ্ষিক বৃষ্টিপাতৰ পৰিমাণ ৩০০ চেন্টিমিটাৰ বা তাতোকৈ বেছি হোৱা ঠাইত এই অৰণ্য পোৱা যায় বাবে ইয়াক বৰ্ষাৰণ্য বুলিও কোৱা হয়।

বৰ্ষাৰণ্য তিনি তৰপীয়া হোৱাটো পৰিলক্ষিত হয়। প্ৰথমে তৰপটো অতি ওখ গছৰ দ্বাৰা গঠিত। অসমৰ বৰ্ষাৰণ্য হোলোং, মেকাই আদি অতি ওখ গছ পোৱা যায়। ইয়াতকৈ কিছু কম ওখ গছে দ্বিতীয়টো তৰপ গঠন কৰে। এই তৰপত সাধাৰণতে নাহৰ, চিয়া নাহৰ, আমাৰি আদি গছ দেখা যায়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

একেবাৰে তলৰ তৰপত চাপৰ গছ-বন আদি থাকে। বৰ্ষাৰণ্য অৰণ্যত গছৰ উপৰি নানাবিধ লতা, তৰা, বাঁহ- বেত, কপৌফুল আদিও থাকে।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

২২। নৈপৰীয়া অৰণ্যৰ গুৰুত্ব আৰু বৰ্তমানৰ সংকট সম্পৰ্কে চমুকৈ লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ: অসমৰ বহু ঠাইত নৈপৰীয়া অৰণ্যই আগুৰি আছিল এসময়ত। এনে অৰণ্যত সাধাৰণতে কিছু ওখ গছৰ লগতে ঘাঁহ জাতীয় উদ্ভিদৰ প্ৰাধান্য বেছি। গছৰ ভিতৰত চোম, সোঁৱালু, উৰিয়াম, মজ, ঔ, আজাৰ আদি প্ৰধান। নল, খাগৰি, তৰা, কৌপাত, বেত, ঝাওঁ, কঁহুৱা আদি চাপৰ গছ বা ঘাঁহ জাতীয় উদ্ভিদৰ বাবে নৈপৰীয়া এলেকাবোৰ বিশেষ উপযোগী। কাজিৰঙা, ডিব্রু-ছৈখোৱা, পবিতৰা, ওৰাং আদি ৰাষ্ট্ৰীয় উদ্যান বা অভয়াৰণ্য প্ৰধানকৈ নৈপৰীয়া অঞ্চলতে অৱস্থিত। নৈপৰীয়া অৰণ্যই নৈৰ কাষত গৰাখহনীয়া হোৱাৰ পৰা ৰক্ষা কৰে।

সাম্প্ৰতিক কালত জনবসতি ক্ৰমে নৈপৰীয়া এলেকাবোৰলৈ সম্প্ৰসাৰিত হোৱাৰ ফলত নৈপৰীয়া অৰণ্য দ্ৰুতগতিত সংকুচিত হৈছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২৩। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অৱস্থান আৰু মাটিকালি লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ: কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অৱস্থান - গোলাঘাট, নগাওঁ আৰু শোণিতপুৰ আৰু মাটিকালি ৩,৫৯,২৯৪ বৰ্গ কিলোমিটাৰ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২৪। অসমৰ ৰাষ্ট্ৰীয় উদ্যানকেইখনৰ নাম আৰু অৱস্থান লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ: অসমৰ ৰাষ্ট্ৰীয় উদ্যান কেইখনৰ নাম আৰু অৱস্থান হ'ল-

ৰাষ্ট্ৰীয় উদ্যানৰ নামঃ অৱস্থান (জিলা)

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানঃ গোলাঘাট, নগাওঁ আৰু শোণিতপুৰ

মানস ৰাষ্ট্ৰীয় উদ্যানঃ চিৰাং আৰু বাক্সা

ওৰাং ৰাষ্ট্ৰীয় উদ্যানঃ ওদালগুৰি আৰু শোণিতপুৰ

নামেৰি ৰাষ্ট্ৰীয় উদ্যানঃ শোণিতপুৰ

ডিব্রু- ছেখোৱা ৰাষ্ট্ৰীয় উদ্যানঃ ডিব্রুগড় আৰু তিনিচুকীয়া

২৫। অভয়াৰণ্যসমূহে কেনেকৈ প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰে লিখা।



উত্তৰ: প্ৰকৃতি সংৰক্ষণৰ ক্ষেত্ৰত অভয়াৰণ্যসমূহৰ ভূমিকা সুদূৰপ্ৰসাৰী। এইবোৰ মানুহৰ ধ্বংসাত্মক প্ৰভাৱৰ পৰা সুৰক্ষিত। এইবোৰে মুঠতে ৩,৫৯,২৯৪ বৰ্গ কিলোমিটাৰ ঠাই আগুৰি আছে। এই সুৰক্ষিত বনাঞ্চলবোৰত হাতী, বাঘ, গঁড়, বনৰীয়া ম'হ, নানাবিধ হৰিণা আৰু কেইবাটাও প্ৰজাতিৰ বান্দৰৰ লগতে বহুতো বন্যপ্ৰাণী আছে। ঘাঁহনি, গছ-গছনি আৰু আৰ্দ্ৰভূমিৰে ভৰা এই সুৰক্ষিত বনাঞ্চলবোৰে দেশ-বিদেশৰ বহুতো পৰ্যটকক আকৰ্ষিত কৰে। এইবোৰক ভালদৰে সুৰক্ষা দিয়াৰ ওপৰতে আমাৰ ৰাজ্যখনৰ জৈৱ-বৈচিত্ৰ্যৰ ভৱিষ্যৎ বহু পৰিমাণে নিৰ্ভৰ কৰিব।

২৬। স্বাধীনতাৰ পিছৰ কালছোৱাত অসমৰ প্ৰশাসনিক বিভাগৰ পৰিৱৰ্তন সম্পৰ্কে লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ: ১৯৪৭ চনত ভাৰত বিভাজনৰ সময়ত চিলেট অংশতো অসমৰ পৰা বিচ্ছিন্ন হৈ পূব পাকিস্তানৰ (বৰ্তমানৰ বাংলাদেশ) লগ লাগিছিল। ফলত সেই সময়ত ১১ খন জিলা আছিল আৰু শ্বিলং অসমৰ ৰাজধানী। পিছলৈ ১৯৬৩ চনত নাগালেণ্ড, ১৯৭০ চনত মেঘালয় আৰু ১৯৭১ চনত মিজোৰাম অসম ৰাজ্যৰ পৰা পৃথক হয়। ১৯৭৩ চনতে গুৱাহাটীৰ দিছপুৰত অসমৰ ৰাজধানী প্ৰতিষ্ঠা কৰা হয়। বৰ্তমান অসমৰ সৰ্বমুঠ ৩৩ খন জিলা আছে। এই জিলা কেইখনৰ ভিতৰত ৭ খন ২০১৫-১৬ বৰ্ষত নতুনকৈ গঠন কৰা হৈছে। এই ৩৩ খন জিলাৰ ভিতৰত ৪ খন জিলা বি টি এ ডিৰ অন্তৰ্গত।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২৭। অসমৰ বৰ্তমান জিলা কেইখন আৰু সদৰ ঠাইৰ নাম লিখা।



উত্তৰ:

জিলাৰ নাম	জিলা সদৰ	মাটিকালি (বৰ্গ কিঃ মিঃ)	জনসংখ্যা (২০১১ বৰ্ষৰ লোকপিয়ল অনুসৰি)
১। ধুবুৰী	ধুবুৰী	২,১৭৬	১৯,৪৯,২৫৮
২। কোকৰাঝাৰ	কোকৰাঝাৰ	৩,২৯৬	৮,৮৭,১৪২
৩। গোৱালপাৰা	গোৱালপাৰা	১,৮২৪	১০,০৮,১৮৩
৪। বঙাইগাওঁ	বঙাইগাওঁ	১,০৯৩	৭,৩৮,৮০৪
৫। চিৰাং	কাজলগাওঁ	১,৯২৩	৪,৮২,১৬২
৬। বৰপেটা	বৰপেটা	২,২৮২	১৬,৯৩,৬২২
৭। নলবাৰী	নলবাৰী	১,০৫২	৭,৭১,৬৩৯
৮।বাক্সা	মছলপুৰ	২,৪৫৭	৯,৫০,০৭৫

উত্তৰ:

৯। কামৰূপ	আমিনগাওঁ	৩,১০৫	১৫,১৭,৫৪২
১০। কামৰূপ মহানগৰ	গুৱাহাটী	৯৫৫	১২,৫৩,৯৩৮
১১। দৰং	মঙলদৈ	১,৫৮৫	৯,২৮,৫০০
১২। ওদালগুৰি	ওদালগুৰি	২,০১২	৮,৩১,৬৬৮
১৩। শোণিতপুৰ	তেজপুৰ	৫,২০৪	১,৯২৪,১১০
১৪। লখিমপুৰ	লখিমপুৰ	২,২৭৭	১০,৪২,১৩৭
১৫। ধেমাজি	ধেমাজি	৩,২৩৭	৬,৮৬,১৩৩
১৬। নগাওঁ	নগাওঁ	৩,৯৭৩	২৮,২৩,৭৬৮
১৭। মৰিগাওঁ	মৰিগাওঁ	১,৫৫১	৯,৫৭,৪২৩
১৮। গোলাঘাট	গোলাঘাট	৩৫০২	১,০৬৬,৮৮৮

উত্তৰ:

১৯।যোৰহাট	যোৰহাট	২৮৫১	১০,৯২,২৫৬
২০। শিৱসাগৰ	শিৱসাগৰ	২৬৬৮	১১,৫১,০৫০
২১। ডিব্রুগড়	ডিব্রুগড়	৩৩৮১	১৩,২৬,৩৩৫
২২। তিনিচুকীয়া	তিনিচুকীয়া	৩৭৯০	১৩,২৭,৯২৯
২৩। কাৰ্বি আংলং	ডিফু	১০,৪৩৪	৯,৫৬,৩১৩
২৪। ডিমা-হাছাও	হাফলং	৪,৮৮৮	২,১৪,১০২
২৫। কৰিমগঞ্জ	কৰিমগঞ্জ	১,৮০৯	১২,২৮,৬৮৬
২৬। কাছাৰ	শিচলৰ	৩,৭৮৬	১৭,৩৬,৬১৭
২৭। হাইলাকান্দি	হাইলাকান্দি	১,৩২৭	৬,৫৯,২৯৬
২৮। বিশ্বনাথ	বিশ্বনাথ চাৰিআলি		১৯,১৪৫

উত্তৰ:

২৯। চৰাইদেউ	সোণাৰি		৪৭১,৪১৮
৩০। হোজাই	শঙ্কৰদেৱ নগৰ		৯.৩১
৩১। মাজুলী	গৰমূড়		৬৩,৫৭২
৩২।দক্ষিণ শালমাৰা - মানকাছাৰ	হাটশিঙিমাৰী		
৩৩। পশ্চিম কাৰ্বি-আংলং	হামৰেং		

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২৮। অসমৰ মাটিকালি কিমান? ৰাজ্যখনৰ ৰাজধানী ক'ত অৱস্থিত? ইয়াৰ মাটিকালি হিচাপে আটাইতকৈ ডাঙৰ আৰু আটাইতকৈ সৰু জিলাখনৰ নাম লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ: অসমৰ মাটিকালি ৭৮,৪৩৮ বৰ্গ কিলোমিটাৰ। ৰাজ্যখনৰ ৰাজধানী গুৱাহাটীৰ দিছপুৰত অৱস্থিত। ইয়াৰ মাটিকালি হিচাপে আটাইতকৈ ডাঙৰ জিলাখনৰ নাম হ'লঃ কাৰ্বি আংলং (১০,৪৩৪ বৰ্গ কিলোমিটাৰ) আৰু সৰু জিলাখনৰ নাম হ'ল- কামৰূপ মহানগৰ (৯৫৫ বৰ্গ কিঃ মিঃ)

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২৯। ২০১১ চনৰ লোকপিয়ল অনুসৰি অসমৰ জনসংখ্যা কিমান? জনসংখ্যা অনুসৰি ৰাজ্যখনৰ আটাইতকৈ ডাঙৰ আৰু আটাইতকৈ সৰু জিলাখনৰ নাম লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ: অসমৰ জনসংখ্যা ৩১.২০ নিযুত। জনসংখ্যা অনুসৰি ৰাজ্যখনৰ আটাইতকৈ ডাঙৰ জিলাখনৰ নাম নগাওঁ (২৮,২৩, ৭৬৮ জন) আৰু সৰু জিলাখনৰ নাম ডিমা হাছাও (২,১৪,১০২ জন)।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩০। চমুটোকা লিখা —

(ক) অসম আৰু মৌচুমী জলবায়ু

(খ) দক্ষিণ-পশ্চিম মৌচুমী বতাহ

(গ) উত্তৰ-পূৰ মৌচুমী বতাহ

(ঘ) অসমৰ বৰ্ষাকাল

(ঙ) অসমৰ প্ৰাক্-মৌচুমীকাল

(চ) অসমত বৰষুণৰ স্থানিক বিতৰণ

(ছ) অসমৰ প্ৰশাসনিক বিভাগ

(জ) জিলা পৰ্যায়ত অসমৰ জনসংখ্যা

(ঝ) বিটিএডি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ:

ক) অসম আৰু মৌচুমী জলবায়ুঃ অসম ভৌগোলিকভাৱে উপক্রান্তীয় মৌচুমী জলবায়ুৰ অন্তগর্ত । এই ৰাজ্যখনত বছৰটোৰ গ্রীষ্মকালত দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ ফলত অতিপাত বৃষ্টি হয় আৰু শীতকালত উত্তৰ-পূব মৌচুমী বতাহৰ বাবে জলবায়ু শুষ্ক আৰু তুলনামূলকভাৱে কিছু নিম্ন উষ্ণতা বিৰাজ কৰে।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

খ) দক্ষিণ-পশ্চিম মৌচুমী বতাহঃ গ্রীষ্মকালত দক্ষিণ-পশ্চিম মৌচুমী বতাহে কঢ়িয়াই অনা ডাৱৰে মেঘালয় মালভূমিকে ধৰি দক্ষিণৰ পাহাৰীয়া অঞ্চল অতিক্রম কৰি ব্রহ্মপুত্র উপত্যকাৰ বিশেষকৈ উত্তৰ-পূব অংশত যথেষ্ট বৰষুণৰ সৃষ্টি কৰে । এই মৌচুমী বতাহৰ শক্তি আৰু লগত অহা জলীয় বাষ্পৰ তাৰতম্যৰ ওপৰত নির্ভৰ কৰি সাধাৰণতে বছৰি বৰষুণৰ পৰিমাণৰ পার্থক্য ঘটে। দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ এটা অংশ মেঘালয় মালভূমি অতিক্রম কৰি আৰু আন এটা অংশ ৰাজ্যখনৰ পশ্চিম ফালেদি সোমাই আহি নামনি ব্রহ্মপুত্র উপত্যকা অঞ্চলত বৰষুণ দিয়ে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

অসমৰ গ্ৰীষ্মকালৰ বৰষুণ বিশেষকৈ আৰ্দ্ৰ দক্ষিণ - পশ্চিম মৌচুমী বতাহৰ শৈলোৎক্ষেপন আৰু চক্ৰবাত প্ৰক্ৰিয়াৰ জৰিয়তে সৃষ্টি হয়।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

গ) উত্তৰ-পূব মৌচুমী বতাহঃ শীতকালত উজনি ব্ৰহ্মপুত্ৰ উপত্যকাত যি বায়ু প্ৰবাহৰ সৃষ্টি হৈ বংগোপসাগৰৰ ফালে প্ৰবাহিত হয় তাকে উত্তৰ-পশ্চিম মৌচুমী বতাহ বা প্ৰত্যাৱৰ্তিত মৌচুমী বতাহ বোলা হয়। শুষ্ক উত্তৰ-পূৱ মৌচুমী বতাহে ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ উপনৈ সমূহৰ পৰা কিছু জলীয় বাষ্প গ্ৰহণ কৰি শীতকালত কেতিয়াবা অসমৰ দক্ষিণ-পশ্চিম অংশত কিছু পৰিমাণে বৰষুণ দিয়ে।

ঘ) অসমৰ বৰ্ষাকালঃ অসমত বৰ্ষাকালটোৱেই প্ৰকৃততে মৌচুমী কাল। জুন মাহৰ আৰম্ভণিৰ পৰা ছেপ্তেম্বৰ মাহৰ শেষলৈকে এই কালে বিৰাজ কৰে। অসমৰ বছৰি মুঠ বৰষুণৰ প্ৰায় ৭০ শতাংশ বৰষুণ এই সময়ছোৱাত হয়। এই সময়ছোৱাত মুঠ বৰষুণৰ পৰিমাণ প্ৰায় ২০০ ছেঃমিঃ।



ঙ) অসমৰ প্ৰাক্ মৌচুমীকালঃ অসমত প্ৰাক মৌচুমীকাল মাৰ্চ মাহৰ আৰম্ভণিৰ পৰা মে মাহৰ শেষলৈকে বিৰাজ কৰে। শীতকালৰ পিছতেই এই কাল আহে বাবে আৰম্ভণিৰে পৰা লাহে লাহে বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধি পাবলৈ ধৰে। অসমত এই প্ৰাক্ মৌচুমীকালৰ সময়ত বসন্ত ঋতু বিৰাজ কৰে।



চ) অসমত বৰষুণৰ স্থানিক বিতৰণঃ অসমৰ বিভিন্ন ঠাইৰ বৰষুণৰ পৰিমাণ অধ্যয়ন কৰিলে দেখা যায় যে ৰাজ্যখনত বৰষুণৰ স্থানিক তাৰতম্য উল্লেখনীয়। ৰাজ্যখনৰ এক সুকীয়া ভূ-প্রকৃতি তথা অৱস্থিতি আৰু ইয়াৰ কাষৰীয়া পার্বত্যভূমিৰ প্রভাৱে বৰষুণৰ বিতৰণৰ তাৰতম্য ঘটায়। সাধাৰণতে পাহাৰীয়া তথা ইয়াৰ পাদভূমি অঞ্চলত বৰষুণ বেছিকৈ হয়। ইয়াৰোপৰি উজনি অসমৰ তিনিচুকীয়া, ডিব্রুগড়, ধেমাজি, লখিমপুৰ আৰু শিৱসাগৰ জিলা, নামনি অসমৰ কোকৰাঝাৰ আৰু ধুবুৰী জিলা আৰু দক্ষিণ অসমৰ কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দি জিলাত বছৰি ২৫০ ছেন্টিমিটাৰতকৈ অধিক বৰষুণ হয়।

আনহাতে মধ্য অসমৰ নগাওঁ আৰু কাৰ্বি আংলং জিলাত বৰষুণৰ পৰিমাণ যথেষ্ট কম। উল্লেখযোগ্য যে নগাওঁ জিলাৰ লংকা - লামডিং অঞ্চলত বছৰি কেৱল ১২৯ ছেন্টিমিটাৰ পৰ্যন্ত হয়।



ছ) অসমৰ প্ৰশাসনিক বিভাগঃ ১৯৪৭ চনত ভাৰত বিভাজনৰ সময়ত চিলেট অংশতো অসমৰ পৰা বিচ্ছিন্ন হৈ পূব পাকিস্তানৰ (বৰ্তমানৰ বাংলাদেশ) লগ লাগিছিল। ফলত সেই সময়ত ১১ খন জিলা আছিল আৰু শ্বিলং অসমৰ ৰাজধানী। পিছলৈ ১৯৬৩ চনত নাগালেণ্ড, ১৯৭০ চনত মেঘালয় আৰু ১৯৭১ চনত মিজোৰাম অসম ৰাজ্যৰ পৰা পৃথক হয়। ১৯৭৩ চনতে গুৱাহাটীৰ দিছপুৰত অসমৰ ৰাজধানী প্ৰতিষ্ঠা কৰা হয়। বৰ্তমান অসমৰ সৰ্বমুঠ ৩৩ খন জিলা আছে। এই জিলা কেইখনৰ ভিতৰত ৭ খন ২০১৫-১৬ বৰ্ষত নতুনকৈ গঠন কৰা হৈছে। এই ৩৩ খন জিলাৰ ভিতৰত ৪ খন জিলা বি টি এ ডিৰ অন্তগৰ্ত।

জ) জিলা পর্যায়ত অসমৰ জনসংখ্যাঃ অসমৰ জনসংখ্যা ২০১১ বর্ষৰ লোকপিয়ল অনুসৰি ৩১.২০ নিযুত। বর্তমান অসমত সর্বমুঠ ৩৩ খন জিলা আছে। জনসংখ্যা বিতৰণত ভৌগোলিক অৱস্থিতি আৰু জলবায়ুৱে যথেষ্ঠ প্রভাৱ পেলায়। প্রৱজনেও জনসংখ্যাৰ ওপৰত যথেষ্ঠ প্রভাৱ পেলায়। ২০১১ চনৰ লোকপিয়লমতে নগাঁও জিলাৰ জনসংখ্যা সর্বোচ্চ (২.৮২ নিযুত) আৰু ডিমা-হাছাওত সর্বনিম্ন ২.১৪ লাখ।

ঝ) বি টি এ ডি :- অসমৰ ৩৩ খন জিলাৰ ভিতৰত ৪ খন যেনে- কোকৰাঝাৰ, চিৰাং, বাক্সা আৰু ওদালগুৰি বি টি এ ডিৰ অন্তৰ্গত। বি টি এ ডি ২০০৩ চনত গঠিত হৈছিল। বি টি এ ডি অৰ্থ হল- বড়োলেণ্ড টেৰিটৰিয়েল এৰিয়া ডিষ্ট্রিক।